**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-11-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হৈছে। এই উপলক্ষে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে দিছপুৰত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা অনুষ্ঠানত তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট গল্পকাৰ আৰু প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ড০ কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত তথ্য আৰু গণসংযোগ বিভাগৰ সঞ্চালক, আছাম ট্ৰিবিউনৰ কাৰ্যবাহী সম্পাদককে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে 'গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰেক্ষাপট ঃ স্বাধীনতা আৰু বিশ্বাসযোগ্যতা' শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বিশিষ্ট লেখক, সাংবাদিক, পদ্মশ্ৰী অৰূপ কুমাৰ দত্তই এই বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট সাংবাদিক সুশান্ত তালুকদাৰ, ৰাজীৱ লোচন বৰঠাকুৰ আৰু প্ৰেছ ক্লাবৰ সভাপতি সুস্মীতা গোস্বামী উপস্থিত থাকে।

এই দিৱসৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন জিলাতো বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হয়। তিনিচুকীয়া, মাজুলী, কাৰ্বি আংলং, গোলাঘাট, যোৰহাট, ধুবুৰী, শিৱসাগৰ, মানকাচৰ আৰু বৰপেটা জিলাতো জিলা প্ৰশাসন তথা জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন কৰা হয়। প্ৰেছ দিৱস উপলক্ষে মন্ত্ৰী ৰণজিত কুমাৰ দাসে পাঠশালা প্ৰেছ ক্লাবৰ নিৰ্মীয়মান ভৱনৰ নিৰ্মাণকাৰ্যত শ্ৰমদান কৰে। নগাঁও জিলাত এই উপলক্ষে হয়বৰগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত নগাঁৰৰ সাহিত্য সভাৰ ভৱনত আয়োজন কৰা এটা অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে ড০ আবু হানিফা স্মাৰক বঁটাও আগবঢ়োৱা হয়। মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ অংশকালীন সংবাদদাতা ডালিম ফুকনলৈ চলিত বৰ্ষৰ বঁটা আগবঢ়োৱা হয়। বঁটা গ্ৰহণ কৰি শ্ৰী ফুকনে আকাশবাণীৰ সংবাদদাতাৰ আগত এইদৰে কয়-

বাইট (ডালিম ফুকন)

০০০০০০

যুৱক-যুৱতীসকলক কৃষি কৰ্মৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনোৱা আহ্বান মৰ্মে গোলাঘাট জিলাৰ মৰঙী পথাৰৰ ৰামধেনু কৃষি পামত আজি ফচল চপোৱা কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু বিধায়ক বিশ্বজিৎ ফুকনে কাতি আৰু আঘোণ মাহৰ দোমাহীৰ দিনা এই ধান দোৱা কাৰ্যসূচী মুকলি কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি মৰঙী অঞ্চলত বিধায়ক বিশ্বজিৎ ফুকনৰ নেতৃত্বত দুবছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা ৰামধেনু বহুমুখী সমবায় সমিতিৰ মুখ্য কাৰ্যালয়ো আজি বিত্তমন্ত্ৰী শ্ৰীনেওগে উদ্বোধন কৰে। এই অনুষ্ঠানত গোলাঘাট জিলা উন্নয়ন আয়ুক্ত, নুমলীগড় শোধনাগাৰৰ মুখ্য প্ৰৱন্ধক, কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিজ্ঞান কেন্দ্ৰ তথা জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি বিত্তমন্ত্ৰী অজন্তা নেওগে এনেদৰে কয়-

**-বাইট-**

০০০০০০০

ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন চামলে আজি ডিমা হাচাও স্বায়িত্ব শাসিত পৰিষদৰ প্ৰশাসনৰ নিয়ন্ত্ৰণাধীন বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। পৰিষদৰ সচিবালয়ৰ প্ৰধান সচিবৰ সভাগৃহত অনুষ্ঠিত এই বৈঠকত প্ৰধান সচিব থাই টিচ ডাওলাগাপু উপস্থিত থকাৰ লগতে পৰিষদৰ আন আন সচিব তথা বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ লগতে আঁচনিসমূহ ৰূপায়নৰ অগ্ৰগতিৰ বিষয়ে বুজ লোৱা হয়। পৰিষদে গ্ৰহণ কৰা আঁচনিসমূহৰ কামৰ অগ্ৰগতি সম্পৰ্কে বুজ লোৱাৰ বাবে অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন চামলে তিনিদিনীয়া কাৰ্যসূচীৰে ডিমা হাচাও ভ্ৰমণ কৰিছে। অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে পৰিষদৰ কাম-কাজত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে খাদ্য সামগ্ৰীসমূহ মজুত ৰখাৰ ক্ষমতা বৃদ্ধি কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। আনহাতে, তেওঁ চিকিৎসা বিভাগসমূহত

০০০০০০০

গোলাঘাট জিলা পুথি ভঁৰালত আজি বহনক্ষম গ্ৰাম্য ৰোজগাৰ উৎপাদন আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰা হয়। গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত তথা নুমলীগড় শোধনাগাৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি বিত্ত মন্ত্ৰী অজন্তা নেওগে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ গোলাঘাট সমষ্টিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ লগতে নুমলীগড় শোধনাগাৰ মানৱ সম্পদ বিভাগৰ মুৰব্বী, গোলাঘাট পৌৰ সভাৰ পৌৰপতি আৰু আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

ডেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ সামৰণি অনুষ্ঠানৰ আজি দ্বিতীয় দিনা কবি নীলমণি ফুকন ক্ষেত্ৰত ১০১খন পতাকা উত্তোলন কৰা হয়। ডেৰগাঁও সাহিত্য সভাৰ সভাপতি আৰু উদ্‌যাপন সমিতিৰ সভাপতি দুগৰাকীয়ে মূল পতাকা উত্তোলন কৰাৰ লগে লগে বিভিন্ন ক্ষেত্ৰৰ ১০১গৰাকী ব্যক্তিয়ে সাহিত্য সভাৰ পতাকা উত্তোলন কৰে।

০০০০০০০

**সমাপ্ত**